অধ্যায় ১১ ঃ ভক্তি আন্দোলন

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ ভক্তি আন্দোলনৰ উৎপত্তি
১১.৪ ভক্তি আন্দোলনৰ সময়ছোৱাৰ বিভিন্ন পণ্ডিতসকল
১১.৫ ভক্তি আন্দোলনৰ অৱদানসমূহ
১১.৬ মহিলা ভক্ত
১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৮ অধিক জানিবলৈ
১১.৯ অগ্রগতিৰ খতিয়ান
১১.১০ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভক্তি আন্দোলনৰ উৎপত্তি আৰু বিকাশ সম্পর্কে আলোচনা কৰিব পাৰিব,
- ভক্তি আন্দোলনৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিব পাৰিব, আৰু
- ভক্তি আন্দোলনৰ ভিন্ন পণ্ডিতসকলৰ অৱদান সম্পর্কে বিশ্লেষণ কৰিব পাৰিব।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত, আমি চুফী আন্দোলন সম্পর্কে আলোচনা কৰি আহিছো। উক্ত অধ্যায়টিত আমি চুফীবাদৰ উৎপত্তি, ইয়াৰ বিভিন্ন ধাৰা আৰু প্রভাৱৰ বিষয়ে আলোচনা কৰি আহিছো।

এই অধ্যায়টিত, আমি ভক্তি আন্দোলনৰ বিষয়ে আলোচনা কৰিম। ভক্তি প্রথাৰ জন্ম হৈছিল ৬শ শতিকাত তামিলনাডুত সংঘটিত এক আন্দোলনৰ ৰূপত, যি প্রকৃতার্থত বৌদ্ধধর্ম আৰু জৈন ধর্মৰ ক্রমবর্দ্ধমান বিপৰীতে এক প্রতিক্রিয়া আছিল। দক্ষিণ ভাৰতত ইয়াৰ দুটা সুনির্দিষ্ট শাখা —বৈষ্ণৱবাদ আৰু শৈৱবাদৰ জৰিয়তে তিনি শতিকাজুৰি সমৃদ্ধি লাভ কৰিছিল। এক ধর্মীয় ধাৰণাৰ ৰূপত ভক্তিবাদে কোনো এক নিজস্ব 'ভগৱান'ৰ বেদীত মুক্তি লাভৰ অর্থে উক্তিভাৱত আত্মসমর্পন কৰাকে সূচিত কৰে। এই মতবাদৰ উৎপত্তিৰ সূত্র প্রাচীন ভাৰতৰে ব্রাহ্মণ্যবাদ আৰু বৌদ্ধ ধর্মীয় পৰম্পৰাত নিহিত আছিল। গীতাত ভগৱানক লাভ কৰাৰ একমাত্র উপায়ৰূপে প্রেমৰ কথা উল্লেখ থকাৰ কথা পোৱা যায়। ৰামানুজৰ শিষ্য ৰামানন্দই উত্তৰ ভাৰতত ভক্তিবাদৰ পৰিচয় ঘটাইছিল। প্রকৃতার্থত ৰামানন্দই উত্তৰ ভাৰতৰ জনসাধাৰণৰ মাজত ভক্তিবাদৰ

আগমণ ঘটাইছিল। ভক্তি আন্দোলনে ব্যাপকভাৱে ভাৰতীয় উপদ্বীপত প্ৰভাৱ পেলাইছিল আৰু শতিকাজুৰি এই আন্দোলন অব্যাহত আছিল। দৰাচলতে ই আছিল এক জনসাধাৰণৰ আন্দোলন আৰু তেওঁলোকৰ স্বাৰ্থৰ হকে কার্য কৰিছিল। বৌদ্ধ ধর্মৰ পতনৰ পাছত সমাজ সংস্কাৰৰ বাবে কোনো প্ৰচেষ্টা লোৱা হোৱা নাছিল। এই দিশতে কার্য কৰা আন্দোলনেই আছিল একমাত্ৰ আন্দোলন। যদিও ইয়াৰ কেন্দ্ৰীয় ধাৰণা, প্ৰেম আৰু ভগৱানৰ ধ্যান মুখ্যত হিন্দু ধর্মৰ পৰা আহৰিত আছিল, তথাপি ই ইছলামীয় পৰম্পৰা আৰু বিশদাসৰ দ্বাৰা প্ৰভাৱান্বিত আছিল। এই আন্দোলনৰ দুটা প্ৰধান উদ্দেশ্য আছিল — প্ৰথম, ইছলাম ধর্ম আৰু ধর্মৰ হকে তুলনামূলক ভাৱে শক্তিশালী কৰাৰ উদ্দেশে হিন্দু ধর্মৰ সংস্কাৰ সাধন কৰা। আৰু দ্বিতীয়তে, হিন্দু মুছলমানৰ একতা আৰু বন্ধুত্ব প্ৰচাৰ কৰা।

ভক্তি আন্দোলনৰ প্ৰভাৱৰ ফলত, জাতিপ্ৰথাৰ কঠোৰতা শিথিল হ'বলৈ ধৰে আৰু শ্ৰেণী বৈষম্যও প্ৰশমিত হ'বলৈ ধৰে। ভক্তিবাদৰ সাধু-সন্তসকলে মানৱজাতিৰ একতাত বিশ্বাস কৰিছিল। তেওঁলোকে কৈছিল যে ঈশ্বৰৰ সন্মুখত সকলো সমান। শংকৰাচার্যৰ আগমণৰ সৈতে এই ধর্মীয় আন্দোলনৰ সূত্ৰপাত ঘটিছিল যদিও ১৬ শ শতিকাত বহুতো সমাজ-ধর্মীয় সংস্কাৰকে বিভিন্ন বিভিন্ন ধর্মীয় আন্দোলনৰ গুৰি ধৰিছিল। এই সমূহৰ ভিতৰত ৰামানন্দ, কবিৰ, গুৰু নানক, চৈতন্য, মীৰা বাই, বল্লভাচার্য, সুৰদাস, তুলসীদাস আদি আছিল প্ৰধান।

১১.৩ ভক্তি আন্দোলনৰ উৎপত্তি

১২ শ শতিকাত ভাৰতবর্ষত জনপ্ৰিয় হোৱা ভক্তিবাদৰ উৎপত্তি প্ৰাচীন ভাৰতত নিহিত হৈ আছে। প্ৰাচীন ভাৰতৰ ধর্মীয় ধাৰাই আছিল ভক্তিবাদৰ দার্শনিক ভিত্তি। 'ভক্তি' শব্দই ভগৱানৰ প্ৰতি আসক্তি বা নিষ্ঠাক বুজায়, আৰু ভক্তি মার্গে উপাসনা বা মুক্তিৰ পথক সূচিত কৰে, যিয়ে ভগৱান আৰু তেওঁৰ ভক্তৰ মাজত এক পৱিত্ৰ আৰু পৰিষ্কাৰ সম্পর্ক প্ৰতিষ্ঠা কৰে। এই অৱস্থাত, ভক্তই তেওঁৰ নিজৰ আত্মা সচেতনতা সম্পর্কে উদাসীন হৈ উঠে আৰু পবিত্ৰ প্ৰেম, চিন্তা আৰু কার্যই ভক্তিৰ দ্বাৰা সর্বোচ্চ ভগৱন্তত লীণ হৈ যোৱাৰ প্ৰয়াস চলায়। এনে বিনয় আৰু নম্ৰতাৰ ভক্ত বা উপাসকক অহংভাৱ নির্মূলত সহায় কৰে, যাৰ ফলত তেওঁৰ আত্মা মুক্ত হৈ মুক্তিৰ পথত আগবাঢ়ে। যদিও ভক্তিমার্গৰ উৎস প্ৰাচীন ভাৰতবর্ষত নিহিত আছিল, দক্ষিণ ভাৰতত বৌদ্ধধর্ম আৰু জৈনধর্মৰ প্ৰসাৰৰ হেতু ৬ শ শতিকাৰ পৰা ভক্তিবাদৰ পুনৰ উত্থান ঘটিবলৈ আৰম্ভ হৈ ৭ শ-৮ শ শতিকাত সর্বোচ্চতাত উপনীত হয়। ভক্তৰ ব্যক্তিগত উপাস্য দেৱতাক লক্ষ্য কেন্দ্ৰত ৰাখিলেও, ভক্তি আন্দোলনৰ এক সুষম ৰূপ (homogeneous form) লৈ ৰূপান্তৰ ঘটা নাছিল আৰু ই সমাজৰ মুখ্য প্ৰচলিত সামাজিক-ৰাজনৈতিক গাঁথনিৰ প্ৰান্তত অৱস্থান কৰিছিল। এই মতবাদে দুটা প্ৰধান বিকশিত হৈছিল— শৈৱবাদ আৰু বৈষ্ণৱবাদ। আৰু এই দুয়োটা সেই সময়ৰ সবাতোকৈ জনপ্ৰিয় হিন্দু ধর্মীয় উপ সম্প্ৰদায় হৈ উঠিছিল। ভক্তি আন্দোলনে ভাৰতীয় সমাজক দুই প্ৰকাৰে অৰিহণা যোগাইছিল। প্ৰথম ই হিন্দু ধর্ম আৰু ইছলাম ধর্মৰ মাজৰ দূৰত্ব হ্ৰাস কৰিছিল আৰু দ্বিতীয়তে ই হিন্দুধর্মক আভ্যন্তৰীণ জটিলতাৰ পৰা উদ্ধৱ হোৱা প্ৰহ্লানসমূহৰ পৰা ৰক্ষা কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ "ভক্তি" শব্দটিয়ে কি সূচিত কৰে?

_____

প্রশ্ন নং ২ ঃ মধ্যযুগীয় ভাৰতবর্ষৰ ভক্তি আন্দোলনৰ তিনিগৰাকী প্রধান প্রৱক্তাৰ নাম লিখক?

_____

১১.৪ ভক্তি আন্দোলনৰ বিভিন্ন পণ্ডিতসকল

শংকৰাচার্যৰ আগমণৰ সৈতে ধর্মীয় আন্দোলনৰ সূত্রপাত ঘটিছিল যদিও ১৬ শ শতিকাত বহুসংখ্যক সামাজিক ধর্মীয় সংস্কাৰকে বিভিন্ন ধর্মীয় আন্দোলনৰ গুৰি ধৰিছল। তুকাৰাম, ৰামানন্দ, কবীৰ, গুৰু নানক, চৈতন্য, মীৰা বাই, বল্লভাচার্য, তুলসীদাস প্রভৃতি ভক্তি গুৰুসকলে সামাজিক ধর্মীয় ব্যৱস্থাৰ মূল শিপা আৰু শাখাৰ পৰিবর্তন সাধন কৰিব বিচাৰিছিল। এইসকল সন্তৰ মাজেৰে কেইগৰাকী মানৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

সন্ত জ্ঞানেশ্বৰ ঃ সন্ত জ্ঞানেশ্বৰ আছিল মহাৰাষ্ট্রৰ অন্যতম প্রখ্যাত সন্ত। তেওঁৰ জন্ম ১২৭৫ খ্রীষ্টাব্দত গোদাবৰী নদীৰ পাৰত অৱস্থিত পাঠদানৰ নিকতবর্তী এক ব্রাহ্মণ পৰিয়ালত হৈছিল। তেওঁ দৈৱ-জ্ঞান প্রাপ্ত আছিল আৰু শৈশৱ কালৰ পৰাই মহানতাৰ লক্ষণ প্রকাশ কৰিছিল। প্রচলিত আছে যে তেওঁএ বহুসংখ্যক অলৌকিক কার্য লংঘটিত কৰিছি। ১৫ বছৰ সয়সতে তেওঁ মাৰাঠী ভাষাত ভাগৱত গীতাৰ বিষয়ত এক সুন্দৰ টীপাভাষ্য লিখি উলিয়াইছিল, যিয়ে মাৰাঠী সাহিত্যৰ উৎপত্তি আৰু প্রাৰম্ভিক বিকাশৰ সময়ছোৱাত এক উচ্চ আসন অধিকাৰ কৰিছে। যদিও জ্ঞানেশ্বৰ এগৰাকী সংস্কৃত পণ্ডিত আছিল তেওঁ মাৰাঠী ভাষাত ধর্ম প্রচাৰ আৰু সংগীত পৰিৱেশন কৰিছিল। জ্ঞানেশ্বৰ মাৰাঠী ভাষাত অমৃতপ্রভা আৰু ভাৰার্থ দীপিকা ৰচনা কৰিছিল। জ্ঞানেশ্বৰে জাতিপ্রথাত বিশ্বাস কৰা নাছিল আৰু ধর্মীয় উপাসনাত উপচাৰিকতা, আনুষ্ঠানিকতা আৰু বলি বিধান কার্যক গৰিহণা দিছিল। তেওঁৰ অনুগামীসকলে, যাক ৰাৰকাৰী বুলি জনা যায়, ধর্মীয় গীত-মাত বা ভজন বা প্রার্থনাৰ দ্বাৰা ভগৱানৰ উপসিথিতি লাভ কৰিব পাৰি বুলি বিশ্বাস কৰিছিল। মাত্র ২১ বছৰ বয়সতে ১২৯৬ খ্রীষ্টাব্দত পুনাৰ নিকটৱর্তী আলান্দীত সন্ত জ্ঞানেশ্বৰৰ মৃত্যু ঘটে। ইমান কম বয়সৰ ভিতৰতে অন্য কোনো সন্তই এনেধৰণৰ প্রখ্যাত আৰু জনাজাত হোৱা নাছিল।

সন্ত নামদেৱ ঃ শ্রী জ্ঞানেশ্বৰৰ শিষ্য সন্ত নামদেৱ দর্জী সম্প্রদায়ৰ আছিল আৰু তেওঁৰ গুৰুতকৈ বয়সত ৫ বছৰ ডাঙৰ আছিল। সন্ত জ্ঞানেশ্বৰৰ সৈতে তেওঁ সমগ্র মহাৰাষ্ট্র ভ্রমণ কৰিছিল আৰু জনসাধাৰণৰক ভক্তি মার্গ অনুসৰণ কৰাৰ বাবে উপদেশ দিছিল আৰু লগতে মাতৃভূমিৰ প্রতি গভীৰ প্রেম তথা নিজ ধর্ম ৰক্ষাৰ হেতু এক তীব্র ইচ্ছা সৃষ্টি কৰাৰ বাবে উপদেশ প্রদান কৰিছিল। কবীৰৰ দৰেই তেওঁ মূর্তি উপাসনাৰ নিন্দা কৰিছিল। ১২৯৬ খ্রীষ্টাব্দত সন্ত জ্ঞানেশ্বৰৰ মৃত্যুৰ পাছত নামদেৱে তেওঁৰ কার্যাৱলীক আগবঢ়াই লৈ যায়। তেওঁ একমাত্র মাৰাঠীতে নহয়

হিন্দীতো গীত ৰচনা কৰিছিল আৰু ভ্ৰমণৰ যোগেদি সমগ্ৰ ভাৰতবৰ্ষতে সাম্যৰ বাণীৰ প্ৰচাৰ কৰিছিল। তেওঁৰ কিছুসংখ্যক ভক্তিমূলক গীত গুৰু গ্ৰন্ধ চাহিবকে ধৰি শিখসকলৰ অন্য ধৰ্মীয় গ্ৰন্থও পোৱা যায়। আজি পৰ্যন্ত তেওঁৰ গীতসমূহ প্ৰেম আৰু ভক্তিভাবেৰে পোৱা যায়।

ৰামানন্দ ঃ শ্ৰী ৰামানুজৰ প্ৰিয় উত্তৰাধিকাৰী শিষ্যসমূহৰ ভিতৰত ৫ম স্থানৰ ৰামানন্দ আছিল দক্ষিণ ভাৰতৰ ভক্তি আন্দোলন আৰু উত্তৰ ভাৰতৰ ভক্তি আন্দোলনৰ মাজৰ সংযোগী যোগসূত্ৰ আছিল। তেওঁৰ জন্ম এলাহাবাদৰ এক ব্ৰাহ্মণ পৰিয়ালত হৈছিল আৰু তেওঁৰ জীৱনকাল ১৪শ শতিকাৰ শেষাৰ্ধৰ পৰা ১৫শ শতিকাৰ প্ৰথমাৰ্ধ বুলি ঠাৱৰ কৰা হৈছে। তেওঁ এজন সাহসী আৰু আপোচবিহীন সংস্কাৰক আছিল যিয়ে প্ৰেম আৰু ভক্তিৰ আদৰ্শৰ ওপৰত ভিত্তি কৰি এক নতুন পন্থা বা শাখাৰ প্ৰতিষ্ঠা কৰি বৈষ্ণৱবাদত বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰিছিল। তেওঁ জাতিভেদ প্ৰথাক উপেক্ষা কৰিছিল আৰু কৃষ্ণ আৰু কৃষ্ণ আৰু ৰাধাৰ স্থানত ৰাম আৰু সীতা পন্থাৰ প্ৰৱৰ্তন কৰিছিল। তেওঁৰ অনুগামী সকলক পাছলৈ ৰামানন্দী বুলি জনা গৈছিল, যিসকলৰ কিছুসংখ্যকে পাছলৈ ভক্তিবাদৰ বেলেগ পন্থাৰ প্ৰতিষ্ঠাপক হৈছিল আৰু সমগ্ৰ উত্তৰ আৰু মধ্য ভাৰতত ব্যাপকভাৱে ভক্তিবাদৰ বাণীৰ প্ৰচাৰ কৰিছিল। প্ৰচাৰ কৰিছিল। মধ্যযুগীয় ধৰ্মীয় ৰহস্যবাদত সফলতাৰে এক নতুন যুগৰ সূচনা কৰাৰ বাবে বিশেষ স্থান দখল কৰি আহিছে।

কবীৰ ঃ কবীৰে হিন্দু আৰু মুছলমানৰ মাজত সম্প্ৰীতিৰ বাতাবৰণ গঢ় দিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। প্ৰচলিত আছে যে তেওঁৰ জন্ম এগৰাকী হিন্দু বিধৱাই দিছিল, যিয়ে তেওঁক বানাৰসৰ এটা পুখুৰীত ত্যাগ কৰি গৈছিল। তেওঁক এগৰাকী মুছলমান শিপিনী নিৰুৱে উদ্ধাৰ কৰি ডাঙৰ দীঘল কৰিছিল। ডাঙৰ হোৱাত তেওঁ বাণাৰসৰ প্ৰখ্যাত সন্ত ৰামানন্দৰ শিষ্য হৈ উঠে। কবীৰৰ বাণীসমূহ তেওঁৰ দ্বাৰা ৰচিত 'দাহা' বা 'চুটি কবিতা' সমূহত সংৰক্ষিত হৈ আছে, যি সমূহ আজি পৰ্যন্ত সমগ্ৰ ভাৰতবৰ্ষত ভক্তিভাৱেৰে গোৱা হয়। কবীৰে জাতিভেদ প্ৰথাত বা ব্ৰাহ্মণৰ শ্ৰেষ্ঠতা অথবা মূৰ্তি উপাসনাক বিশ্বাস কৰা নাছিল। মন্দিৰকে ধৰি অন্যান্য উপাসনাৰ স্থানসমূহ তেওঁৰ বাবে গুৰুত্বপূৰ্ণ নাছিল। তেওঁৰ বাবে হিন্দু আৰু মুছলমান একে মাটিৰে নিৰ্মিত পাত্ৰ আছিল। ৰাম আৰু ৰহিম আছিল একেজন ভগৱানক কবীৰে দিয়া দুটা নাম। কবীৰৰ মতে, সৎ কৰ্ম আৰু ভক্তি বা ভগৱানৰ প্ৰতি একান্ত অনুৰাগৰ দ্বাৰাই মুক্তি লাভ কৰা সম্ভৱ।

গুৰু নানক ঃ ১৮৬৯ খ্ৰীষ্টাব্দৰ তালবন্দী (বৰ্তমানৰ পাকিস্তাত অৱস্থিত নানকানা চহিব) ত জন্ম গ্ৰহণ কৰা, গুৰুনানক আছিল ভক্তি আন্দোলনৰ অন্যতম বিখ্যাত বাৰ্তাবাহক। তেওঁৰ সমগ্ৰ জীৱনকাল জুৰি বিশ্বজনীন ভাতৃত্ববোধ, ধৰ্মীয় সহনশীলতা আৰু ভগৱানৰ ঐক্যতাৰ বাণী প্ৰচাৰ কৰিছিল। কবীৰৰ দৰেই তেওঁ জাতিভেদ প্ৰথাক, মূৰ্তি উপাসনা, ঔপচাৰিকতা আৰু আনুষ্ঠানিকতাক নিন্দা কৰিছিল। তেওঁৰ মতে, ভগৱানৰ ন্যায়ালয়ত একমাত্ৰ সজ কাৰ্যৰহে বিচাৰ কৰিছিল। তেওঁৰ সৰল শিক্ষাৰ বাবে তেওঁৰ এক বৃহৎসংখ্যক অনুগামী ৰাভ কৰিছিল। গুৰু নানকে বিশ্বৰ ৫ম বৃহৎ প্ৰতিষ্ঠানিক ধৰ্ম শিক্ষাৰ প্ৰতিষ্ঠা লাভ কৰিছিল। ১৫৩৯ খ্ৰীষ্টাব্দত বৃদ্ধাৱস্থাত তেখতৰ মৃত্যু ঘটে।

গুবল্লভাচার্য ঃ অন্ধ্ৰপ্ৰদেশত জন্ম গ্ৰহণ কৰা বল্লভদেৰ আছিল কৃষ্ণ পন্থাৰ সাবতোকৈ উল্লেখযোগ্য প্ৰচাৰক। প্ৰচলিত আছে যে তেওঁ কৃষ্ণ দেৱ ৰায়ৰ ৰাজসভা দৰ্শন কৰিছিল আৰু

অভাংগ
ভক্তিমূল
দেৱতা
প্ৰশান্তিৰ

ৰাজসভাত কিছুসংখ্যক শৈৱ পণ্ডিতক বিতর্কত পৰাস্ত কৰিছিল। ব্ৰহ্মসূত্ৰ আৰু ভগৱত গীতাৰ ওপৰত তেওঁ এক ধাৰাভাষ্য ৰচনা কৰিছিল। তেওঁৰ দৰ্শনক শুদ্ধদ্বৈত বা সম্পূৰ্ণ অদ্বৈতবাদ বা বিশুদ্ধ একেশ্বৰবাদ বুলি জনা যায়। তেওঁ প্ৰচাৰ কৰিছিল যে মানুহে জাগতিক বিষয়বস্তুৰ পৰা নিজকে বিচ্ছিন্নতাৰ এক মনোভাৱ বিকশিত কৰি সৰ্বস্ব ভগৱান কৃষ্ণৰ প্ৰতি উৎসৰ্গা কৰা উচিত। কিন্তু তেওঁৰ কিছুসংখ্যক অনুগামীয়ে তেওঁৰ শিক্ষাৰ মূল বিষয়বস্তুৰ ব্যাখ্যা ভুলকৈ বুজি জাগতিক ভাৱধাৰাৰ আধাৰত সেইসমূহৰ বিচাৰ কৰি কিছু সংখ্যক আপত্তিজনক ৰীতি-নীতিত আসক্ত হৈ উঠিছিল।

চৈতন্য মহাপ্ৰভু ঃ চৈতন্য মহাপ্ৰভু ভাৰতবৰ্ষৰ বৈষ্ণৱ সন্তসকলৰ ভিতৰত সবাতোকৈ মহৎ আৰু জনপ্ৰিয় বুলি গন্য কৰিব পাৰি। তেওঁৰ জন্ম ১৮৮৫ খ্ৰীষ্টাব্দত বংগৰ নাদিয়াৰ এক শিক্ষিত ব্ৰাহ্মণ পৰিয়ালত হৈছিল। তেওঁ জনপ্ৰিয়তা ইমানেই বৃদ্ধি হৈছিল যে অনুগামীসকলে তেওঁক ভগৱান বিষ্ণুৰ অৱতাৰ বুলি গণ্য কৰিব লৈছিল। জনসাধাৰণৰ মাজত তেওঁ মহাপ্ৰভু নামেৰে জনাজাত আছিল। তেওঁৰ বিশ্বাস আৰু মতবাদ অনুসৰি প্ৰেম আৰু অনুৰাগ, গীত আৰু নৃত্যৰ দ্বাৰা এনে এক পৰমানন্দৰ অৱস্থা প্ৰাপ্ত কৰা সম্ভৱ য'ত ভগৱানৰ ব্যক্তিগত অৱস্থিতিৰ অনুভূতি লাভ কৰা যায়। তেওঁৰ শিক্ষা সকলোৰে বাবে মুলকি আছিল আৰু তেওঁৰ অনুগামীসকলৰ ভিতৰত নিম্ন জাতিৰ হিন্দু তথা মুছলমান সম্প্ৰদায়ৰ লোক অৰ্ন্তভুক্ত আছিল। বেংগল, উৰিষ্যা তথা পূব ভাৰতৰ অন্য অংশত তেওঁৰ বৃহৎসংখ্যক অনুগামী আছিল।

সন্ত একনাথ ঃ ১৫৩৮ খ্ৰীষ্টাব্দত গোদাবৰীৰ পাৰত অৱস্থিত পাইথানৰ এক ব্ৰাহ্মণ পৰিয়ালনত সন্ত একনাথৰ জন্ম হৈছিল। কম বয়সৰ পৰাই সন্ত একনাথে আধ্যাত্মিকতাৰ প্ৰতি অনুৰাগ দেখুৱাইছিল। তেওঁ জনার্দন স্বামীৰ এজন শিষ্য হৈ পৰিছিল, যি এগৰাকী গভীৰ ধার্মিক লোক আছিল আৰু দৌলতাবাদ দুৰ্গৰ তত্বাৱধানৰ দায়িত্বত আছিল। একনাথৰ গুৰুৱে তেওঁক এক গৃহস্থী জীৱন যাপনৰ বাবে অনুমতি প্ৰদান কৰিছিল। একনাথৰ পত্নী তেওঁৰ সমাজ সংস্কাৰৰ অভিযানত সংগ প্ৰদান কৰিছিল আৰু এক আদৰ্শ সংগীৰূপে প্ৰমাণিত হৈছিল। তেওঁৰ সংস্কাৰমূলক কাৰ্যসূচীত তেওঁ উচ্চ শ্ৰেণীৰ হিন্দুসকলৰ দ্বাৰা বাধাপ্ৰাপ্ত হৈছিল। তেওঁ সামাজিক সমানতাৰ পোষকতা কৰিছিল আৰু শ্ৰেণী, জাতি আৰু সম্প্ৰদা ?ৰ ভিত্তিত হোৱা ভেদাভেদৰ বিলুপ্তিৰ উদ্দেশ্যে প্ৰচাৰ চলাইছিল। তেওঁ ঔপচাৰিকতা, আনুষ্ঠানিকতা আৰু উপাসনাৰ অন্য গাড়া পদ্ধতিসমূহত বিশ্বাস কৰা নাছিল। তেওঁৰ ধর্মীয় বক্তৃতাসমূহত তেওঁ মাৰাঠী ভাষা ব্যৱহাৰত অগ্ৰাধিকাৰ দিছিল আৰু মাৰাঠী ভাষাতেই সাধাৰণ লোকৰ বাবে গীত ৰচনা কৰিছিল। তেওঁৰ অসংখ্য ধর্মীয় গীতসমূহক অভংগা (ablangas), owes আৰু ভাৰুদ (bharood) বুলি জনা যায়, যিসমূহ মহাৰাষ্ট্ৰত এতিয়াও অতি জনপ্ৰিয়। দৰিদ্ৰ আৰু অৱহেলিত শ্ৰেণীৰ বাবে তেওঁ এজন বন্ধু আৰু উপদেশ দাতা আছিল, যিয়ে তেওঁলোকক ভগৱানৰ প্ৰতি প্ৰকৃত শিক্ষা প্ৰদান কৰিছিল। তেওঁ তেওঁৰ অনুগামীসকলক সকলো জীৱত প্ৰণীকে ভালপাবলৈ উপদেশ প্ৰদান কৰিছিল আৰু নিজেও মানি চলিছিল। ভক্তিমূলক গীতৰ উপৰিও, একমাথে মাৰাঠী ভাষাত ভগৱত পুৰাণৰ ওপৰত ধাৰাভাষ্য লিখিছিল, যাক একনাথী ভাগৱত বুলি জনা যায়।

সন্ত টুকাৰাম ঃ সন্ত টুকাৰাম ছত্ৰপতি শিৱাজীৰ সমাসাময়িক আছিল আৰু যদিও দুয়োজন জীৱনকালত কেতিয়াও লগালগি হোৱা নাছিল, শিৱাজী সন্ত টুকাৰামৰ শিক্ষাৰ দ্বাৰা গভীৰভাৱে

ণাঃ ই এক প্ৰকাৰৰ
লক কবিতা, যাক হিন্দু
ভিঠ্লা বা ভিথ্ থাৰ
ৰূপে পাঠ কৰা হয়।

প্রভাৱান্বিত হৈছিল। সন্ত টুকাৰামৰ জন্ম ১৬০৮ খ্ৰীঃত, পুনাৰ ওচৰৰ এখন গাওঁত এটা বৈশ্য পৰিয়ালত হৈছিল। সৰুৰে পৰা তেওঁ গভীৰভাৱে ধার্মিক আছিল আৰু সৰহভাগ সময় তেওঁৰ প্ৰিয় দেৱতা পা্ধাৰপুৰৰ ভগৱা ভিথ'বাৰ প্ৰশংসাত ভক্তিমূলক গীত গাই কটাইছিল। তেওঁ ভক্তি মার্গত বিশ্বাস কৰিছিল। সন্ত টুকাৰামে স্ব-ৰচিত ভক্তিমূলক গীত অভাঙ্গা ৰচনা কৰিছিল। তেওঁ লগতে সাম্য আৰু পৰস্পৰৰ প্ৰতি ভাতৃবোধ ভাৱৰ বার্তা প্ৰচাৰ কৰিছিল। মহাৰাষ্ট্ৰৰ বিভিন্ন সম্প্ৰদায়ক একগোট কৰাৰ প্ৰকৃত সনামানৰ যোগ্য সন্ত টুকাৰাম। তেওঁৰ প্ৰিয় দেৱতা, ভগৱান ভিথ'বাৰ মন্দিৰ আজি পর্যন্ত মহাৰাষ্ট্ৰৰ সকলো সম্প্ৰদায় একগোট হোৱাৰ মিলনস্থলী হৈ আছে। জনপ্ৰিয় লোকবিশ্বাস অনুসৰি ১৬৫১ খ্ৰীষ্টাব্দত যেতিয়া সন্ত টুকাৰামৰ মৃত্যু হয়, ভগৱান ভিথ'বাই তেওঁক স্বর্গলৈ যোৱাৰ উদ্দেশ্যে এক বাহন প্ৰেৰণ কৰিছিল।

সমর্থ গুৰু ৰামদাস ঃ সন্ত গুৰু ৰামদাসে ছত্ৰপতি শিৱাজীৰ সমসাময়িক আছিল। তেওঁ শিৱাজীৰ নির্বাচিত বন্ধু, দার্শনিক আৰু পথ প্ৰদর্শক আছিল। সন্ত টুকাৰামৰ আদর্শৰ সমান্তৰালকৈ গুৰু ৰামদাসৰ আদর্শৰ দ্বাৰাও শিৱাজী শক্তিশালীভাবে প্ৰভাৱান্বিত হৈছিল। ১৬০৮ খ্ৰীঃত ৰামনৱমীৰ দিনা (ভগৱান ৰামৰ জন্মদিন দিনা) গোদাবৰী নদীৰ পাৰৰ জম্ব (jamb)ত গুৰু ৰামদাসৰ জন্ম হৈছিল। তেওঁৰ প্ৰকৃত নাম আছিল নাৰায়ণ। কিন্তু তেওঁ নিজক ৰামদাস — অর্থাৎ ভগৱান অথবা ৰামৰ দাস বা সেৱক বুলি কবলৈ ভাল পাইছিল। ল'ৰালি কালৰে পৰা তেওঁ আধ্যাত্মিক আছিল আকু কম বয়সতে নিজকে ভগৱা ৰামৰ উপাসনাত উৎসর্গা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। ভগৱান ৰামৰ বনবাসৰ জীৱনকালৰ সময়চোৱাৰ লগত জড়িত নাচিকৰ পঞ্চৱতী বনত গুৰু ৰামদাসে কঠোৰ তপস্যা কৰে। ৰামদাস হনুমানৰ এজন পৰম ভক্ত হৈ উঠিছিল আৰু হনুমানক শক্তিৰ দেৱতা বা ব্ৰহ্মচর্যৰ প্ৰতীকৰূপে গণ্য কৰিছিল। ভগৱান ৰাম আৰু হনুমানৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰি, তেওঁ মহাৰাষ্ট্ৰত যথেষ্ট সংখ্যক হনুমানৰ মন্দিৰ প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ বিখ্যাত গ্ৰন্থ দশবধৰ দ্বাৰা তেওঁ মানুহক সত জীৱনৰ পথ প্ৰদর্শক কৰিছিল। তেওঁৰ কর্মৰাজিয়ে মহাৰাষ্ট্ৰৰ জনসাধাৰণৰ মাজত এক বৃহৎ সচেতনতাৰ সৃষ্টি কৰিছিল, যিয়ে শিৱাজীৰ অধীনত একত্ৰিত হৈ অ্যায়ৰ বিৰুদ্ধে যুঁজ দিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ মহাৰাষ্ট্ৰৰ অন্যতম প্ৰখ্যাত সন্তৰ নাম উল্লেখ কৰক।

_____

প্ৰশ্ন নং ৪ ঃ কোন গৰাকী সন্তই মূর্তি উপাসনাক নিন্দা কৰিছিল?

_____

প্ৰশ্ন নং ৫ ঃ ৰামানন্দিসকল কোন আছিল?

_____

প্ৰশ্ন নং ৬ ঃ সন্ত কবীৰৰ বাণীসমূহ ক'ত সন্নিহিত হৈ আছে?

_____

১১.৫ ভক্তি আন্দোলনৰ অৱদান

১৫ শ শতিকা আছিল উত্তৰ ভাৰতৰ ইতিহাসত এক অন্যতম গঠনমূলক সময়— এই সময়ছোৱাতে ভক্তি আন্দোলনৰ নতুন জন্ম হৈছিল। ভক্তিৰ অর্থ হৈছে প্ৰেম বা নিঠোৰ বোধ আৰু ভগৱানৰ প্ৰতি উৎসর্গীকৃত কৰা। ইয়াত ভক্তৰ লক্ষ্য হৈছে দৈৱিক অনুগ্ৰহ লাভ কৰা আৰু মোক্ষ প্ৰাপ্তি। ভক্তি আন্দোলনে প্ৰচলিত উপাসনা পদ্ধতিৰ বিৰুদ্ধাচৰণ কৰিছিল। ই মন আৰু হৃদয়ৰ পৱিত্ৰতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁলোকৰ মতে, উপাসনাৰ প্ৰধান উৎস হৈছে মানুহক সেৱা আগবঢ়োৱা আৰু ভগৱানক লাভ কৰাৰ বাবে উৎসর্গাৰ মনোভাৱ গঢ়ি তোলা। ভক্তি আন্দোলনে জাতি আৰু সম্প্ৰদায়গত প্ৰচলিত বিভেদৰ বিৰোধিতা কৰিছিল। ভক্তি আন্দোলনৰ সন্তসকলে নিম্ন শ্ৰেণীৰ লোক আৰু অস্পৃশ্যসকলক সমান বুলি গণ্য কৰিছিল। বহু সন্ত নিজেই নিম্ন শ্ৰেণী আৰু জাতিৰ আছিল। ভক্তি আন্দোলনে পুৰোহিত শ্ৰেণীৰ শ্ৰেষ্ঠতা আৰু ব্যহ্যিকতাৰ বিৰোধিতা কৰিছিল। ভক্তি সন্ত সকলে বিশ্বাস কৰিছিল যে ব্যক্তিয়ে নিজা চেষ্টা আৰু ভক্তিৰ দ্বাৰাই ভগৱানক লাভ কৰিব পাৰে। তেনেস্থলত ভগৱানক লাভ কৰাৰ বাবে পুৰোহিত আৰু খৰছী যজ্ঞৰ প্ৰয়োজন নাই। ভক্তি আন্দোলনৰ সন্তসললে এক সৰল ভাষাত ধর্ম প্ৰচাৰ কৰিছিল। ইয়াৰ ফলত স্থানীয় ভাষা আৰু দোৱানসমূহৰ যেনে হিন্দী, মাৰাঠী, গুজৰাটী ইত্যাদিৰ বিকাশ ঘটিছিল। ভক্তি আন্দোলনেব্যাপকভাৱে ভাৰতীয় উপদ্বীপক প্ৰভাৱান্বিত কৰিছিল আৰু শতিকা জুৰি এই আন্দোলন আব্যাহত আছিল। ই প্ৰকৃতার্থত এক জনসাধাৰণৰ আন্দোলন আছিল আৰু তেওঁলোকৰ স্বার্থৰ হকে কার্য কৰিছিল। যদিও ভক্তি আন্দোলনৰ কেন্দ্ৰীয় ধাৰণা, প্ৰেম আৰু ভগৱানৰ আৰাধনা ঘাইকৈ হিন্দু আছিল, তথাপি ই ইছলাম ধর্মীয় ৰীতি-নীতি আৰু বিশ্বাসৰ দ্বাৰাও প্ৰভাৱান্বিত হৈছিল।

এই আন্দোলনৰ দুটা প্ৰধান লক্ষ্য আছিল। প্ৰথমটো, ইছলাম ধর্মৰ তুলনাত অধিক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে হিন্দু ধর্মৰ সংস্কাৰ সাধন কৰা। দ্বিতীয় আছিল, হিন্দু মুছলমানৰ ঐক্য আৰু বন্ধুত্ব প্ৰসাৰ ঘটোৱা। ভক্তি আন্দোলনৰ ফলত হিন্দু ধর্মত বাহ্যিকতাৰ গুৰুত্ব কমি আহে আৰু জাতিভেদ প্ৰথাৰ কঠোৰতা কমি আহিছিল। ভক্তিবাদৰ সন্তসকলে প্ৰচাৰ কৰা মানৰ জাতিৰ ঐক্যৰ বাণীৰ ফলত শ্ৰেণী বৈষম্যবো উপশম ঘটিছিল। তেওঁলোকৰ মতে, ভগৱানৰ সন্মুখত সকলো সমান।



জানি থোৱা ভাল

অসমৰ ভক্তি আন্দোলন ঃ অসমত ভক্তি বা নৱ-বৈষ্ণৱ আন্দোলনৰ সূত্ৰপাত ১৬ শ শতিকাত শংকৰদেৱ আৰু তেওঁৰ শিষ্য মাধৱদেৱৰ দ্বাৰা। শংকৰদেৱে সর্বশক্তিমন্ত ভগৱানৰ প্ৰতি সম্পূর্ণ আত্মসমর্পনৰ শিক্ষা প্ৰদান কৰিছল আৰু ভক্তিত দাস্য মনোভাৱৰ পোষকতা কৰিছিল, য'ত ভক্তই নিজকে ভগৱানৰ দাস বা সেৱক বুলি নিজকে গণ্য কৰিছিল। তেওঁৰ ধর্ম ঘাইকৈ চাৰিটা নীতিৰে গঠিত হৈছিল ঃ সর্বপ্ত ব্যাপি থকা ভগৱান বিষ্ণুৰ ৰূপত পৰম ব্ৰহ্মাৰ বোধ,

গীতাত প্রশংসা কৰাৰ দৰে ভগৱান শ্রীকৃষ্ণৰ ৰূপত সর্বশক্তিমন্ত ভগৱানৰ প্রতি এক শৰণ বা সম্পূর্ণ আনুগত্য, ভাগৱত পু�ৰাণৰ নির্দেশ অনুসৰি সৎসঙ্গ আৰু প্রার্থনাৰ ৰূপত নাম কীর্তন কৰা। সাৰ ৰূপত এই চাৰিটা নীতিক গুৰু, সেৱা, ভক্ত আৰু নাম বুলি জনা যায়। যিহেতু তেওঁৰ শিক্ষাসমূহ প্রধানকৈ গীতা আৰু ভাগৱত পুৰাণৰ ওপৰত নির্ভৰ কৰিছিল, সেয়েহে তেওঁৰ দ্বাৰা প্রচাৰিত ধর্মক ভাগৱত ধর্ম বুলি জনা যায়। জনপ্রিয়ভাৱে ইয়াক মহাপুৰুষীয়া ধর্ম আৰু আনুষ্ঠানিকভাৱে এক শৰণ নাম ধর্ম বুলি জনা যায়। তেওঁৰ শিষ্যসমূহৰ ভিতৰত ক্রমে ছান্দসাই, মুছলমান আছিল; গোবিন্দ, এজন গাৰো; পৰমানন্দ, এজন মিৰি; জয়ানন্দ, এজন ভূটিয়া; নৰহৰী এগৰাকী আহোম; শ্রীৰাম এগৰাকী কৈৱর্ত; মাধৱ, এগৰাকী কুমাৰ আৰু দামোদৰ এগৰাকী বেপাৰী আছিল।

১১.৬ মহিলা ভক্ত

ভক্তি আন্দোলন সমাজৰ জাতীয় শ্রেণী পর্যন্ত বিয়পি পৰিছল যদিও নাৰীসকলৰ নিজা ধর্মীয় আৰু আধ্যাত্মিক অনুভূতিসমূহৰ প্রকাশৰ বাবে সীমিত সুবিধাহে লাভ কৰিছিল; তথাপি তেওঁলোকে ভক্তি আন্দোলনত এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। তেওঁলোকেসন্ত, কবিৰ ৰূপত আত্মপ্রকাশ কৰিছিল আৰু বিভিন্ন ভাষাত গীত গায়, ৰচনা কৰি, স্তুতি গীত ৰচনা কৰি ভগৱানৰ প্রশান্তি কৰিছিল। এই নাৰীসকলে ধর্মীয় ক্ষেত্রখনত ব্রাহ্মণবাদী পুৰুষতন্ত্রক প্রত্যাহ্বান জনাইছিল। ভক্তি আন্দোলনৰ সময়ত নাৰীসকলৰ দ্বাৰা ৰচিত কবিতা আৰু গীতসমূত, তেওঁলোকে নিজৰ দেৱতাক প্রেমিক পতি ইত্যাদিৰ ৰূপত গণ্য কৰিছিল। তেওঁলোকৰ আধ্যাত্মিক যাত্রাত নিজা ঘৰ, পতি আৰু অন্য সামাজিক সম্পর্ক হেৰুৱাব লগাত পৰিছিল।

এই খণ্ডত আমি, নাৰী ভক্তিবাদীসকল আৰু ভক্তি আন্দোলনত তেওঁলোকৰ অংদান সম্পর্কে তেওঁলোকৰেই শব্দ আৰু কার্যৰ দ্বাৰা আলোচনা কৰিম।

A K Ramanujan এ তেখেতৰ দ্বাৰা ৰচিত "Talking to God' গ্রন্থত উল্লেখ কৰিছে যে —

"ভক্তি আন্দোলনত নাৰীসকলে, পুৰুষসকলে পৰম্পৰাগতভাৱে লাভ কৰি অহা গুণসমূহক প্রত্যাহ্বান জনাইছিল। তেওঁলোকে মনুৰ দ্বাৰা ৰচিত বা আৰোপিত নিষেধাজ্ঞা ভংগ কৰিছিল। উদাহৰণস্বৰূপে, সেই সময়ৰ ৰীতি অনুসৰি, এগৰাকী সম্মানীয় নাৰীয়ে নিজাববীয়াকৈ ঘৰৰ বাহিৰত অকলে বাস কৰাটো কিম্বা নিজৰ পতিৰ সৈতে সহবাস কৰাক অস্বীকাৰ কৰাটো উচিত নাছিল। কিন্তু ইয়াৰ বিপৰীতে নাৰী সন্ত সকলে পতি, সন্তান আৰু পৰিয়াল ত্যাগ কৰিছিল আৰু অকলশৰে ভ্রমণ কৰি ফুৰিছিল।"

মীৰা বাঈ ঃ মীৰা বাঈ আছিল ৰাজস্থানৰ এক ৰাজ পৰিয়ালৰ কিন্তু ৰাজকীয় বংশমর্যদাতকৈ তেওঁ অনুসৰণ কৰা ভক্তি মার্গৰ বাবেহে বেছি প্রখ্যাত। ১৫০০ খ্রীষ্টাব্দৰ আশে পাশে তেওঁৰ জন্ম হৈছিল আৰু ১৩ বছৰ বয়সত এজন ৰাজকুমাৰৰ লগত বিবাহ হৈছিল। নিচেই

কম বয়সৰে পৰাই মীৰাবাঈ জাগতিক দায়িত্বৰ তুলনাত ধর্মীয় ভক্তিৰ প্রতিহে বেছি আগ্রহ প্রদর্শন কৰিছিল। প্রচলিত আছে যে নিজৰ বৈবাহিক দায়িত্বৰপ্রতি অৱহেলা প্রদর্শন কৰাত যেতিয়া মীৰাবাঈক এই বিষয়ে প্রশ্ন কৰা হয় তেতিয়া তেওঁ উত্তৰ দিছিল যে যিস্থলত তেওঁ ইতিমধ্যে ভগৱান কৃষ্ণৰ সৈতে বিবাহপাশত আৱদ্ধ হৈছে, গতিকে তেওঁৰ পুনৰায় ৰজাৰ সৈতে বিবাহ হোৱাটো অসম্ভৱ। মীৰাবাঈৰ জীৱনত এক প্রধান পৰিৱর্তন আহে তেওঁৰ পতিৰ মৃত্যুৰ পাছত। সেই সময়ৰ প্রচলিত নিয়ম অনুসৰি পতিৰ মৃত্যুৰ পাছত পত্নীয়ে সতী প্রথা পালন কৰি আহিছিল, কিন্তু মীৰাবাঈয়ে ইয়াক অস্বীকাৰ কৰিছিল। ইয়াৰ ফলত তেওঁৰ পতিৰ আত্মীয়ই তেতওঁক হাৰাশাস্তি কৰিবলৈ আৰম্ভ কৰে। তেওঁ তেতিয়া পতি গৃহ ত্যাগ কৰে আৰু সমগ্র ৰাজস্থান জুৰি অনাই বনাই ঘূৰি তেওঁৰ ভজনসমূহ পৰিৱেশন কৰিছিল, ভক্তিমার্গৰ প্রচাৰ কৰিছিল আৰু অনুগামী আহৰণ কৰিছিল। সমগ্র জীৱনকালত মীৰাবাঈয়ে ভগৱানৰ প্রতি উৎসাহিত কৰি জীৱনৰ সমগ্র দুখ যাতনা সহ্য কৰিছিল। জাগ্রত বা নিদ্রা, উভয় অৱস্থাতে তেওঁ একমাত্র ভগৱান শ্রীকৃষ্ণৰ চিন্তা কৰিছিল। ভগৱান শ্রীকৃষ্ণৰ প্রশস্তিত মীৰাবাঈয়ে ৰচনা কৰা ভজনসমূহৰ বাবে জনাজাত। ১৫৫০ খ্রীঃৰ আশে পাশে মীৰাবাঈৰ মৃত্যু হৈছিল বুলি ধাৰণা কৰা হয়।

সন্ত ছোয়াৰাবাঈ ঃ সন্ত ছোয়াৰ বাঈ বিবাহিত আছিল আৰু তেওঁৰ দ্বাৰা ৰচিত অভাংগাসমূহত তেওঁ ভগৱান ভিথ'বা, নিজা প্রৰিয়াল আৰুতার্থযাত্রাৰ প্রতি তেওঁৰ নিষ্ঠা আৰু এইসমূহৰ মাজত লাভ কৰা শান্তিৰ কথা উল্লেখ কৰিছে। তেওঁৰ লিখনী সমূহত তেওঁৰ জাতিগত আৰু লিগংগত পৰিচয় প্রতি সচেতনতাৰ লগতে এইসমূহে আৰোপ কৰা সীমাবদ্ধতাৰ প্রতি সজাগতাক প্রকাশ কৰিছিল।

জানা বাঈ ঃ জানাবাঈ আছিল বাৰকাৰী সম্প্রদায়ৰ অন্যতম বিখ্যাত কবি, যি মাৰাঠীভাষী লোকৰ মাজত জনপ্রিয় আছিল। অতি কম বয়সতে তেওঁ চাকৰ ৰূপে সেৱা আগবঢ়াব লগাত পৰিছিল। তেওঁৰ কবিতাসমূহে তেওঁৰ দৈনন্দিন জীৱন চর্যাক প্রতিফলিত কৰিছিল। বাৰকাৰী সম্প্রদায়ৰ অন্যতম বিশেষ আৰাধ্য দেৱতা ভিথ'বাৰ সৈতে তেওঁৰ সম্পর্ক এজন বন্ধু আৰু সংগীৰ দৰে আছিল যিয়ে তেওঁক সান্তনা আৰু পথ প্রদর্শক আছিল।

আটুকুৰী মোল্লা ঃ আটুকুৰী মোল্লা আছিল ৰহু শতিকাৰ প্রথমার্দ্ধৰ এগৰাকী বৈষঁৰী কবি, যিয়ে তেলেগু ভাষাত "মোল্লা ৰামায়ানাম" নামেৰে এক নতুন ৰূপত ৰামায়ণৰ ৰচনা কৰিছিল। তেলেগু ভাষী অঞ্চলত বৈষ্ণৱ আন্দোলনৰ সূচনা হৈছিল আৰু ই প্রচলিত পৰম্পৰাগত ৰীতি-নীতিৰ প্রথা, জাতিৰ ভিত্তিত বৈষম্য ইত্যাদি নিন্দা কৰিছিল। এক বিদ্রোহী মনৰ গৰকী আটুকুৰী মোল্লাৰ লিখনীসমূহো বৈপ্লৱিক আছিল।

আমি দেখিলো যে, ভক্তি আন্দোলনৰ সময়ত পুৰুষ আৰু নাৰী ভক্তিবাদীসকলৰ মাজত স্পষ্ট পার্থক্য আছিল। যি স্থলত পুৰুষে বৈবাহিক জীৱন যাপন কৰিও আধ্যাত্মিক পথত খোজ পেলাব পাৰিছিল। তেনেস্থলত নাৰীসকলে অন্যহাতে মাতৃত্বকে আদি কৰি সকলো জাগতিক সুখ পৰিহাৰ কৰিবলগীয়াত পৰিছিল। লিংগ ভিত্তিত প্রচলিত যথেষ্ট নিয়ম ভংগ কৰা হৈছিল।

আক্কা মহাদেৱী আৰু লাল ডেৱ (Lal Ded) আছিল এনে প্ৰচলিত নিয়মক প্ৰত্যাহ্বান জনোৱা সকলৰ মাজত অন্যতম। মহাদেৱী আৰু লাল ডেদ তেওঁলোকৰ বিবাহ বান্ধোনৰ পৰা ওলাই আহিছিল আৰু উলংগ ভাৱে পৰিভ্ৰমী কৰি ফুৰিছিল। নগ্নতাক ভাৰতীয় সমাজত এক ভাবুকি বুলি গণ্য কৰা হৈছিল আৰু এনেক্ষেত্ৰত নিঃসন্দেহে এই সকল নাৰীয়ে প্ৰচলিত সময় আৰু পৰম্পৰাক প্ৰত্যাহ্বান জনাইছিল।

ভক্তি আন্দোলনে এই সময়ৰ অৱহেলিত শ্ৰেণীৰ লোকসকলক প্ৰচলিত ধ্যান ধাৰণাৰ বিৰুদ্ধে থিয় হ'বলৈ আৰু প্ৰত্যাহ্বান জনাবলৈ এক উদাৰ পযভূমি প্ৰদান কৰিছিল।



জানি থোৱা ভাল

লাল ডেৱ (Lal Ded) আছিল এগৰাকী কাশ্মিৰী কবি আৰু ৰহস্যবাদী। তেওঁৰ দ্বাৰা ৰচিত কবিতা আৰু স্তৱক সমূহ ৱাক্ষ বুলি জনাজাত, যি এতিয়াও ডেকা চামৰ মাজত জনপ্ৰিয়। তেওঁ নিজৰ দৈনন্দিন বেদনা সম্পৰ্কে লিখিছিল।

অক্কা মহাদেৱী এগৰাকী কন্নড় কবি আছিল। তেওঁ লিঙ্গয়ত পন্থাৰ বিশ্বাসী আছিল। শিৱক তেওঁৰ স্বামী বুলি মানিছিল। তেওঁৰ কবিতাই কন্নড় সাহিত্যক সমৃদ্ধ কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ঃ এগৰাকী বিৰশৈৱ্য কবিৰ নাম লিখক।

_____

প্ৰশ্ন নং ৮ঃ "মোল্লা ৰামায়ানাম কোনে ৰচনা কৰিছিল?

_____

প্ৰশ্ন নং ৯ঃ লাল ডেৱ কোন আছিল।

_____



১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে—

- ভক্তি আন্দোলনৰ ধাৰণা আৰু আৱৰণী সম্পৰ্কে,
- ভক্তি আন্দোলনত অৱদান যোগোৱা বিভিন্ন পণ্ডিতসকলৰ বিষয়ে,
- নাৰী ভক্তবাদীসকল যি এই ভক্তি আন্দোলনত মুখ্য ভূমিকা পালন কৰিছিল, তেওঁলোকৰ বিষয়ে।



১১.৮ অধিক জানিবলৈ

1. Barua, S.L. (2007). *A Comprehensive History of Assam*. New Delhi, India: Munshiram Manohralal Paublishers
2. Farooqui, Salma Ahmed. (2011). *A Comprehensive History of Medieval India*. Delhi India: Pearson
3. Maiti, Provatansu. (2014). *Medieval India. Kolkata, India*: Sreedhar Publishers
4. Thaosen, Maduli. (2017). The *Bhakti Movement and Roots of Indian Feminism*. Retrieved from https://feminisminindia.com/2017/04/03/bhakti-movement-women/



১১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ভগৱানৰ প্রতি তথা উৎসর্গা

২ নং প্রশ্নৰ উত্তৰ ঃ মীৰা বাঈ, কবীৰ আৰু চৈতন্য

৩ নং প্রশ্নৰ উত্তৰ ঃ সন্ত জ্ঞানেশ্বৰ

৪ নং প্রশ্নৰ উত্তৰ ঃ সন্ত নামদেৱ আৰু কবীৰ

৫ নং প্রশ্নৰ উত্তৰ ঃ ৰামানন্দাৰ অনুগামীসকল

৬ নং প্রশ্নৰ উত্তৰ ঃ দোহা বা চুটি কবিতা

৭ নং প্রশ্নৰ উত্তৰ ঃ মোল্লা

৮ নং প্রশ্নৰ উত্তৰ ঃ মোল্লা

৯ নং প্রশ্নৰ উত্তৰ ঃ কাশ্মীৰি বিদ্রোহী আৰু ৰহস্যবাদী কবি।



১১.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ ঃ অসমত ভক্তি আন্দোলনৰ প্রচাৰ কোনে কৰিছিল?

প্রশ্ন ২ ঃ মহাপ্রভু নামেৰে কোন গৰাকী সন্তক জনা যায়?

প্রশ্ন ৩ ঃ কোন গৰাকী মহিলা সন্তক তেওঁৰ দ্বাৰা ৰচিত ভজনসমূহৰ বাবে জনা যায়?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ ঃ ভক্তি বুলিলে কি বুজে লিখক?

প্রশ্ন ২ ঃ চমুটোকা লিখকঃ

(ক)কবিৰ

(খ) মীৰা বাঈ

(গ) গুৰু নানক

(ঘ) বল্লভাচার্য

(ঙ) শংকৰদেৱ

প্রশ্ন ৩ ঃ নৱবৈষ্ণৱ আন্দোলনৰ বিষয়ে এটি চমু টোকা লিখক?

(গ) ৰচনা ধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ ঃ ভক্তি আন্দোলনৰ উৎপত্তি তথা বিকাশ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ২ ঃ চৈতন্য দেৱৰ প্রচাৰ কৰা শিকনি আৰু দর্শন সম্পর্কে চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ ভাৰতীয় সমাজলৈ আগবঢ়োৱা সেৱাৰ দিশত ভক্তিবাদী সন্তসকলৰ অৱদান সম্পর্কে পর্যালোচনা কৰক।

প্রশ্ন ৪ ঃ ভক্তি আন্দোলনত নাৰী ভক্ত সকলৰ ভূমিকা আৰু অৱদান সম্পর্কে বিশ্লেষণ কৰক।

****